# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-01-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
**-----------------------**

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত বিনিয়োগকাৰী শীৰ্ষ সন্মিলন-এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ সন্দৰ্ভত ৩৭ খনতকৈ অধিক দেশৰ ৰাষ্ট্ৰদূত আৰু বাণিজ্যিক প্ৰতিনিধিসকলক কালি সাক্ষাৎ কৰে। সাক্ষাৎকালত ড° শৰ্মাই কয়, যে এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে চুবুৰীয়া দেশসমূহৰ সৈতে সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত অসম, দেশৰ এক্ট ইষ্ট নীতিৰ গুৰুত্বপূৰ্ণ অংশ। বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যত বিনিয়োগৰ অপাৰ সম্ভাৱনাৰ বিষয়ে অৱগত কৰে। তেওঁ লগতে ৰাষ্ট্ৰদূত আৰু বাণিজ্যিক প্ৰতিনিধিসকলক এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশগ্ৰহণ কৰিবলৈ আৰু সীমাহীন সুযোগৰ অন্বেষণ কৰিবলৈ আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীয়ে প্ৰথম পৰ্যায়ৰ বৈঠকত দক্ষিণ-পশ্চিম এছিয়াৰ দেশ যেনে কম্বোডিয়া, ইণ্ডোনেছিয়া মালয়েছিয়া, ভূটান, বাংলাদেশ আদিৰ ৰাষ্ট্ৰদূতৰ সৈতে মিলিত হয়। দ্বিতীয় পৰ্যায়ৰ বৈঠকত মুখ্যমন্ত্ৰীয়ে ইউৰোপীয় দেশ, যেনে - ফিনলেণ্ড, ছুইডেন, নেডাৰলেণ্ড, ছুইজাৰলেণ্ড, অষ্ট্ৰেলিয়া আদি ৰাষ্ট্ৰদূত সকলৰ সৈতে আলোচনা কৰে। একেদৰে তৃতীয় পৰ্যায়ৰ বৈঠকত তেওঁ আৰৱ আমিৰি ৰাষ্ট্ৰ, ইটালী, জাপান, ওমান, ব্ৰাজিল আদি ৰাষ্ট্ৰদূতৰ সৈতে মিলিত হয়। তিনিওখন বৈঠকতে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা আৰু সামৰণি অনুষ্ঠানত মন্ত্ৰী পীয়ুষ গোৱেল উপস্থিত আছে।

oooooo

কেন্দ্ৰীয় চৰকাৰৰ অসামৰিক যোগান তথা সামাজিক ন্যায় বিভাগৰ ৰাজ্যমন্ত্ৰী বনৱাৰীলাল বাৰ্মা কালি দুদিনীয়া ভ্ৰমণসূচীৰে তিনিচুকীয়াত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ বিভিন্ন উন্নয়নমূলক কাম-কাজ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। তেওঁ প্ৰধানমন্ত্ৰী মোদীৰ চিন্তা আৰু কৰ্মপদ্ধতিৰ বিষয়ে উল্লেখ কৰি কয় যে দেশৰ প্ৰতিটো অঞ্চলেই উন্নয়নৰ দিশত আগবাঢ়ি যোৱাটো প্ৰধানমন্ত্ৰীয়ে বিচাৰে। বৈঠকৰ আৰম্ভণিতে তিনিচুকীয়াৰ জিলা আয়ুক্ত স্বপ্নীল পালে জিলাখনত চলি থকা বিভিন্ন কেন্দ্ৰীয় আঁচনিসমূহৰ অগ্ৰগতিৰ চমু খতিয়ান দাঙি ধৰে। মন্ত্ৰীগৰাকীয়ে আজি তিনিচুকীয়া অসামৰিক চিকিৎসালয়ত শাৰিৰীকভাৱে বাধাগ্ৰস্ত লোকসকলৰ বাবে স্থাপন কৰা মিছন থ'তফুলৰ স্থায়ী কেন্দ্ৰ এটা আনুষ্ঠানিকভাৱে উদ্বোন কৰিব।

oooooo

কলিয়াবৰৰ কামাখ্যা গাঁও আৰু মিৰিভেটি গাঁৱত বিগত কিছুদিন ধৰি বাঘৰ উপদ্ৰৱৰ ফলত অঞ্চলটোৰ ৰাইজে সন্মুখীন হোৱা সমস্যাৰ সমাধান সূত্ৰ উলিওৱাৰ বাবে কালি কলিয়াবৰত বন আৰু পৰিবেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু ৰাজহ মন্ত্ৰী কেশৱ মহন্ত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হয়। বৈঠকত শেহতীয়াকৈ কলিয়াবৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্যৰ সন্ধানত ওলাই অহা বাঘৰ বিচৰণ আৰু জনসাধাৰণৰ নিৰাপত্তাজনিত বিষয় লৈ আলোচনা কৰা হয়। অঞ্চলটোত বৈদ্যুতিক বেৰ নিৰ্মাণ, পহৰাৰ বাবে পৰ্যাপ্ত বনকৰ্মীৰ তহলৰ ব্যৱস্থা কৰা সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি শিলঘাট আৰু জখলাবন্ধাৰ বন সুৰক্ষা কৰ্মীয়ে নিয়মিতভাৱে অঞ্চলটো নিৰীক্ষণ কৰি থকাৰ উপৰি অতিৰিক্তভাৱে ১২ জন বন সুৰক্ষা কৰ্মী

নিয়োগৰ ব্যৱস্থা কৰা হৈছে। বাঘৰ বিচৰণত বাধাৰ সৃষ্টিৰ বাবে স্থাপন কৰা বেৰ ৰাইজৰ অসুবিধা নোহোৱাকৈ সঠিক স্থানত নিৰ্মাণ কৰাৰ উপৰি অতিৰিক্ত ৭ কিলোমিটাৰ বৃদ্ধি কৰাৰ বাবেও সিদ্ধান্ত লোৱা হয়। বাঘে উপদ্ৰৱ চলোৱা এলেকাত সৌৰ শক্তিচালিত বিজুলীবাতিৰ ব্যৱস্থা আৰু কলিয়াবৰ চাহ বাগিচাত বাঘৰ ওপৰত দৃষ্টি ৰখাৰ বাবে পাঁচটা টঙী ঘৰ সজাৰ কথাও এই বৈঠকত আলোচনা কৰা হয়। বৈঠকত জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ, কলিয়াবৰ সম জিলাৰ সম আয়ুক্ত লিজা তালুকদাৰ, কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সঞ্চালক সোণালী ঘোষকে ধৰি বন বিভাগৰ ভালেসংখ্যক জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

oooooo

ডিমা হাচাও জিলাৰ উমৰাংছ'ৰ কয়লাখনিত আবদ্ধ শ্ৰমিকসকলৰ উদ্ধাৰৰ বাবে অভিযান অব্যাহত আছে। নৌসেনাৰ দলে উদ্ধাৰ অভিযানত অংশ লৈছে। আজিৰেপৰা কোল ইণ্ডিয়াৰ দলেও উদ্ধাৰ অভিযানত সহায় কৰিব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি কয়লা মন্ত্ৰী জি কিষাণ ৰেড্ডীৰ সৈতে বৈঠকত মিলিত হোৱাৰ পাছত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে কয়লাখনিটোত ১০০ ফুট পৰ্যন্ত পানী সোমাইছে আৰু নৌসেনাই পানীৰ মাজতে উদ্ধাৰ অভিযান চলাইও সফল হোৱা নাই। সেয়েহে খনিলৈ যোৱা এন্দুৰৰ গাঁত সদৃশ পথবোৰত আজি অভিযান চলোৱা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। অবৈধভাৱে কয়লা খননৰ বিষয়টো চোৱা-চিতা কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিয়া হৈছে বুলি তেওঁ কয়। খনিটোৰ পৰা পানী উলিওৱাৰ বাবে কেইবাটাও পাম্প ব্যৱহাৰ কৰা হৈছে।

এই ঘটনাৰ তদন্তৰ বাবে অসম আৰক্ষীয়ে খনি আৰু খনিজ আইন ১৯৫৭ৰ অধীনত অৱহেলাজনিত কাৰণত প্ৰাণহানি হোৱাৰ অভিযোগত উমৰাংছ' আৰক্ষী থানাত এখন এজাহাৰ পঞ্জীয়ন কৰিছে। এই গোচৰ অনুসৰি ইতিমধ্যে পুনিছ নুনিছা নামৰ এজন লোকক আটক কৰা হৈছে।

oooooo

সমাপ্ত